**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-11-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। হাৰিয়ানাৰ ফৰিদাবাদত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ মাণ্ডলিক পৰিষদৰ এখন বৈঠক অনুষ্ঠিত হয়।

২। নতুন দিল্লীত আয়োজিত ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত অংশগ্ৰহণ কৰি কৰ্মচাৰীৰ ভৱিষ্যৎ নিধি সংস্থাই দেশৰ আন্তঃগাঁথনি শক্তিশালী কৰি তুলিছে বুলি শ্ৰম আৰু নিযুক্তি মন্ত্ৰী ডাঃ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰে।

৩। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাক আজি বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলে মৃত্যুদণ্ডৰে দণ্ডিত কৰিছে। ***আৰু***

৪। উত্তৰ প্ৰদেশৰ সোণভদ্ৰা জিলাৰ এটা শিলৰ কুৰেৰীত সংঘটিত ঘটনাটোত মুঠ ৫ জন শ্ৰমিকৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে।

ooooo

হাৰিয়ানাৰ ফৰিদাবাদত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ মাণ্ডলিক পৰিষদৰ এখন বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে হাৰিয়ানা, হিমাচল প্ৰদেশ, পাঞ্জাব, ৰাজস্থান, দিল্লী, জম্মু আৰু কাশ্মীৰ, লাডাখ আৰু চণ্ডীগড়ক লৈ উত্তৰ মাণ্ডলিক পৰিষদ গঠিত।

ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱত মন, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়ব সিং সৈনী, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হা, দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা, জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই এই বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত দিল্লীৰ লালকিল্লাৰ সমীপত হোৱা বিস্ফোৰণৰ ঘটনাত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। এই বৈঠকত ৰাজ্য চৰকাৰসমূহ, পানীৰ ভাগ বাটোৱাৰা সম্পৰ্কীয় সমস্যা আৰু উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত আলোচনা কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'টীম ভাৰত' দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি মাণ্ডলিক পৰিষদসমূহে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। শক্তিশালী ৰাজ্যসমূহে সমন্বয়েৰে শক্তিশালী দেশ গঢ়ি তুলিব পাৰে – এই আদৰ্শ আগত ৰাখি মাণ্ডলিক পৰিষদসমূহে কেন্দ্ৰ অথবা দুখন বা ততোধিক ৰাজ্যক প্ৰভাৱিত কৰিব পৰা বিষয় সন্দৰ্ভত আলোচনাৰ বাবে এটা সংগঠিত প্ৰণালী গঠন কৰে। মাণ্ডলিক পৰিষদসমূহৰ ভূমিকা উপদেষ্টামূলক যদিও বিগত কেইবছৰমানত এই পৰিষদসমূহে বিভিন্ন ক্ষেত্ৰত উমৈহতীয়া বুজাবুজি আৰু সহযোগিতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান যোগাই আহিছে। মহিলা আৰু শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ গোচৰৰ ক্ষিপ্ৰ তদন্ত আৰু ইয়াৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্টট্ৰেক বিশেষ আদালত ৰূপায়ণকে ধৰি ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰতো মাণ্ডিলক পৰিষদসমূহে বিশযভাৱে আলোচনা কৰে। বিগত ১১ বছৰত বিভিন্ন মাণ্ডলিক পৰিষদ আৰু এইসমূহৰ স্থায়ী সমিতিৰ ৬৩ খন বৈঠক আয়োজিত হৈছে।

ooooo

শ্ৰম আৰু নিযুক্তি মন্ত্ৰী ডাঃ মনসুখ মাণ্ডৱিয়াই আজি নতুন দিল্লীৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত কৰ্মচাৰীৰ ভৱিষ্যৎ নিধি সংস্থাৰ পেভিলিয়ন উদ্বোধন কৰে। মাণ্ডৱিয়াই কয় যে কৰ্মচাৰীৰ ভৱিষ্যৎ নিধি সংস্থাই দীৰ্ঘদিন ধৰি সমগ্ৰ দেশৰ কোটি কোটি শ্ৰমিকৰ বাবে বিত্তীয় নিৰাপত্তাৰ স্তম্ভ হিচাপে কাম কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে সংস্থাই দেশৰ সামাজিক সুৰক্ষাৰ গাঁথনি শক্তিশালী কৰিছে। তেওঁ লগতে যুৱক-যুৱতীসকলক এই পেভিলিয়নটো দৰ্শন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে এই পেভিলিয়নে কেনেদৰে ডিজিটেল ৰাজহুৱা সেৱাই ব্যক্তিসকলক শক্তিশালী কৰিব পাৰে, উদ্যোগসমূহক সমৰ্থন কৰিব পাৰে আৰু নাগৰিক আৰু প্ৰতিষ্ঠানসমূহৰ মাজত বিশ্বাস শক্তিশালী কৰিব পাৰে তাৰ নিদৰ্শন দাঙি ধৰিছে।

০০০০০

কেন্দ্ৰীয় মাইক্ৰ', ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জীতন ৰাম মাঞ্জীয়ে কয় যে ভাৰতৰ এমএছএমইৰ পৰিসৰ সমগ্ৰ দেশতে ৭ কোটিৰো অধিক কাৰ্যকৰী ইউনিটৰ সৈতে বিশ্বৰ ভিতৰতে অন্যতম বৃহৎ উদ্যোগত পৰিণত হৈছে। আজি নতুন দিল্লীত অনুষ্ঠিত ৪৪ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত এমএছএমই পেভিলিয়ন উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এমএছএমইসমূহে সমগ্ৰ দেশতে এতিয়ালৈকে ৩০ কোটিৰো অধিক লোকৰ বাবে কৰ্মসংস্থাপন সৃষ্টি কৰিছে আৰু চৰকাৰে অহা পাঁচ বছৰত প্ৰায় ৬০ কোটি কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰো লক্ষ্য লৈছে।

মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে MSME পেভিলিয়নত ক্ষুদ্ৰ উদ্যোগৰ প্ৰচাৰৰ বাবে চৰকাৰে প্ৰচেষ্টা লৈছে। ইয়াতে দেশৰ সাংস্কৃতিকআৰু হস্তশিল্পৰ ঐতিহ্য প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীমাঞ্জীয়ে লগতে কয়, যে ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা দৰে মঞ্চসমূহ হৈছে বজাৰৰ প্ৰৱেশাধিকাৰ, দক্ষতা বিকাশ, উদ্যোগৰ বিকাশক তৰান্বিত কৰাৰ উপৰিও আত্মনিৰ্ভৰশীল আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ মূল চালিকা শক্তি।

০০০০০

চৌদি আৰবৰ মক্কাৰ পৰা মদিনালৈ যোৱা এখন যাত্ৰীবাহী বাছ আজি নিচেই পুৱা দুৰ্ঘটনাগ্ৰস্ত হোৱাত ৪৫ গৰাকী ভাৰতীয় তীৰ্থ যাত্ৰীয়ে প্ৰাণ হেৰুৱাইছে। উল্লেখযোগ্য যে ভাৰতীয় সময় অনুসৰি মাজনিশা প্ৰায় ডেৰ বজাত মুফৰিহাট নামৰ ঠাইত বাছখনে এখন ডিজেল কঢ়িওৱা টেংকাৰত খুন্দা মাৰে। বাছখনত ১১ গৰাকী মহিলা আৰু ১০টি শিশু থকাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখযোগ্য যে বাছখন মক্কাৰ পৰা মদিনালৈ উভতি আহি আছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘটনা সন্দৰ্ভত শোক প্ৰকাশ কৰে। তেওঁ নিহতসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ভাৰতীয় নাগৰিককে ধৰি দুৰ্ঘটনাটোত আহত লোকসকলৰ আশু-আৰোগ্য কামনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰেও ঘটনা সন্দৰ্ভত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ডং জয়শংকৰে কয়, যে ৰিয়াধৰ দূতাবাস তথা জেড্ডাহৰ বাণিজ্যিক দূতাবাসে দুৰ্ঘটনাগ্ৰস্ত লোকসকলৰ পৰিয়াল তথা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি সম্ভাব্য সকলো সহায় আগবঢ়াইছে। দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে শোকসন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহতসকলৰো আশু-আৰোগ্য কামনা কৰে। জেড্ডাহত থকা ভাৰতৰ বাণিজ্যিক ৰাষ্ট্ৰদূতৰ কাৰ্যালয়ৰ তৰফৰ পৰা ইতিমধ্যে কেইটামান হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। এই দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত ২৪ ঘণ্টাই মুকলি থকা এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা বুলি দূতাবাসে প্ৰকাশ কৰিছে। হেল্পলাইন নম্বৰকেইটা হৈছে – 800-244-0003/0122-6140-93/012-66-142-76 আৰু 055-6122-301।

০০০০০

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাক আজি বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলে মৃত্যুদণ্ডৰে দণ্ডিত কৰিছে। তেওঁৰ সৈতে বাংলাদেশৰ প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামানকো মৃত্যুদণ্ডৰে দণ্ডিত

কৰা হৈছে। ঢাকা আৰক্ষীৰ প্ৰাক্তন মহাপৰিদৰ্শক আল মানুনক একেটা গোচৰতে পাঁচ বছৰৰ কাৰাদণ্ড বিহা হৈছে।

আজি ঢাকাৰ আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলৰ ন্যায়াধীশ গোলাম মৰ্টুজা মজুমদাৰ, ন্যায়াধীশ ছফিউল আলম মাহমুদ আৰু ন্যায়াধীশ এম এইছ এ চৌধুৰীৰ আদালতে এই ৰায়দান কৰাৰ সময়ত আদালতত উপস্থিত জনতাই হৰ্ষধ্বনিৰে এই ৰায়ৰ আদৰণি জনায়। শ্বেইখ হাছিনাৰ বিৰুদ্ধে উত্থাপিত যোৱা বছৰৰ জুন-জুলাই মাহৰ গণ আন্দোলনকাৰীসকলক হত্যাৰ নিৰ্দেশ দিয়া, বিক্ষোভকাৰী ছাত্ৰ আবু ছাঈদক হত্যাৰ নিৰ্দেশ দিয়া আৰু উচতনিমূলক বক্তব্য দিয়াৰ অভিযোগ প্ৰমাণিত হয় আৰু আদালতে শ্বেইখ হাছিনা আৰু প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামানৰ সা-সম্পত্তি বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়ে। অৱশ্যে শ্বেইখ হাছিনাই বৰ্তমান ভাৰতত আশ্ৰয় গ্ৰহণ কৰি থকাৰ পৰিপ্ৰেক্ষিতত আজিৰ এই ৰায় কূটনৈতিক ব্যৱস্থাৰে ভাৰত চৰকাৰলৈ প্ৰেৰণৰ সম্ভাৱনা আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

আজিৰ এই ৰায়দানৰ পূৰ্বে দেশখনৰ ৰাজধানী ঢাকা মহানগৰীকে ধৰি সমগ্ৰ দেশতে ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হয় যদিও আজি ঢাকাৰ বিভিন্ন অঞ্চলত বিক্ষোভকাৰীয়ে গাড়ী, বাছ, এম্বুলেঞ্চ আদিত অগ্নিসংযোগ কৰাৰ লগতে মহানগৰীৰ বিভিন্ন ঠাইত বিস্ফোৰণ সংঘটিত হয়।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত নৰৱে’ৰ স্বাস্থ্য মন্ত্ৰী জেন ক্ৰিষ্টিয়ান ভেষ্ট্ৰেক সাক্ষাৎ কৰে। সাক্ষাতৰ সময়ত ভাৰত আৰু নৰৱে’ৰ মাজৰ স্বাস্থ্য খণ্ডৰ লগতে ঔষধৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত থকা সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ পোষকতা কৰা হয় বুলি শ্ৰীনাড্ডাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰিছে। ডিজিটেল স্বাস্থ্য খণ্ডত ভাৰতৰ অগ্ৰাধিকাৰ, মানৱ সম্পদৰ উন্নয়ন, শিশু আৰু মাতৃৰ পুষ্টি আৰু বিভিন্ন ৰোগ সম্বন্ধে দুয়োখন দেশৰ সন্মিলিত গৱেষণা আদি বিষয়তো আলোচনাত কৰা হয়।

ooooo

প্ৰতিৰক্ষা বিভাগৰ ৰাজ্য মন্ত্ৰী সঞ্জয় সেঠে আজি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী মোহম্মদ মোবাৰক আল মাজেৰুইৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ডুবাই এয়াৰ শ্ব’ ২০২৫ অনুষ্ঠানৰ সময়তে অনুষ্ঠিত হোৱা এই বৈঠকত মন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিক সু-ব্যৱস্থা, প্ৰতিৰক্ষাৰ প্ৰদৰ্শনী আৰু প্ৰশিক্ষণৰ সহযোগিতাৰ জড়িয়তে দুয়োখন দেশৰ মাজৰ শক্তিশালী দ্বিপাক্ষিক সহযোগিতাত গুৰুত্ব আৰোপ কৰে। তদুপৰি প্ৰতিৰক্ষাৰ ক্ষেত্ৰত দুয়োখন দেশে যৌথ গৱেষণা, সহ-উন্নয়ন আৰু সহ-উৎপাদনৰ দিশত নতুনৰ অন্বেষন কৰি আগবাঢ়িবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

ooooo

দেশ দ্ৰুত অৰ্থনৈতিক উন্নয়ন আৰু বৰ্ধিত সংযোগ ব্যৱস্থাৰ বাবেই দেশ আজি বিমান পৰিবহণ বজাৰ ক্ষেত্ৰত তৃতীয় বৃহৎ দেশ হিচাপে অগ্ৰগতি লাভ কৰিছে বুলি অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰামমোহন নাইডুৱে আজি নতুন দিল্লীত ৪৪ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত ভাৰতীয় বিমান বন্দৰ কৰ্তৃপক্ষৰ পেভিলিয়ন উদ্বোধন কৰি এনেদৰে মন্তব্য কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে শিশুসকলৰ মাজত অসামৰিক বিমান পৰিবহণৰ জ্ঞান প্ৰদান, কাৰিকৰী বুজাবুজি সম্প্ৰসাৰণ কৰি ভৱিষ্যতৰ বাবে দক্ষতা বৃদ্ধিক অনুপ্ৰাণিত কৰাত গুৰুত্ব আৰোপ কৰা হ’ব।

ooooo

উত্তৰ প্ৰদেশৰ সোণভদ্ৰা জিলাৰ এটা শিলৰ কুৱেৰীত সংঘটিত ঘটনাটোত মুঠ ৫ জন শ্ৰমিকৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা শনিবাৰে বিয়লি শিলৰ কুৱেৰীটোত সংঘটিত ঘটনাটোত এজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। কুৱেৰীটোত ১২ জনতকৈও অধিক শ্ৰমিক বৰ্তমানো

আৱদ্ধ হৈ আছে আমাৰ সংবাদদাতাই জনাইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী- এন ডি আৰ এফ আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী- এছ্ ডি আৰ এফ তথা স্থানীয় প্ৰশাসনে কুৰেৰীটোত আৱদ্ধ হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে যুদ্ধসদৃশ তৎপৰতা চলাই আছে। ৰাজ্যমন্ত্ৰী ৰবীন্দ্ৰ জয়ছোৱালে ঘটনাস্থলী পৰিদৰ্শন কৰি উদ্ধাৰ অভিযানৰ বুজ লয়। দুৰ্যোগ ব্যৱস্থাপনা সচিব য়োগেন্দ্ৰ ডিম্ৰীয়ে কয়, যে উদ্ধাৰ অভিযানকাৰী দলে ক্ষিপ্ৰতাৰে আৱদ্ধ শ্ৰমিকৰ উদ্ধাৰৰ বাবে অভিযান চলাই আছে ।

ooooo

সমাপ্ত